অসম

বিধানসভাৰ উপাধ্যক্ষ ডাঃ হাবে টেৰণৰ নাৰী কেলেংকাৰীৰ অভিযোগ লৈ মহিলা আয়োগত প্রদেশ কংগ্রেছ

বিধানসভাৰ উপাধ্যক্ষ ডাঃ হাবে টেৰণৰ বিৰুদ্ধে এগৰাকী মহিলাই উত্থাপন কৰা অভিযোগৰ ভিত্তিত ব্যৱস্থা গ্রহণৰ দাবীত ৰাজ্যিক মহিলা আয়োগলৈ কংগ্রেছৰ সঁজাতি দল।

প্রকাশ: ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২৭



Congress seeks inquiry into allegations against Dr Habi Teron

২৭ নৱেম্বৰ , ২০২৬

‘মহিলা আয়োগ এতিয়া মহিলা আয়োগ হৈ থকা নাই’। ‘এইপর্যন্ত মহিলা আয়োগে নিজাববীয়া গোচৰ ৰুজু নকৰাতো আশ্চর্যজনক’। বিধানসভাৰ উপাধ্যক্ষ ডাঃ হাবে টেৰণৰ বিষয় লৈ মহিলা আয়োগত প্রদেশ কংগ্রেছ। কংগ্রেছ নেত্রী মীৰা বৰঠাকুৰৰ নেতৃত্বত মহিলা আয়োগত উপস্থিত কংগ্রেছৰ এটি দল। আয়োগৰ কার্যালয়ত গোচৰ ল’বলৈ বিষয়ববীয়া নথকাতো ক্ষোভ কংগ্রেছ নেতৃত্বৰ। কার্যালয়ত উপস্থিত এগৰাকী লিগেল বিষয়া, কিন্তু তেওঁৰ নাছিল গোচৰ গ্রহণ কৰাৰ কর্তৃত্ব। ২৪ ঘণ্টাৰ ভিতৰত উপাধ্যক্ষৰ বিৰুদ্ধে গোচৰ ল’বলৈ আহ্বান কংগ্রেছ নেতৃত্বৰ।

বিধানসভাৰ উপাধ্যক্ষ তথা কার্বি আংলঙৰ বিধায়ক ডাঃ হাবে টেৰণৰ বিৰুদ্ধে এগৰাকী মহিলাই উত্থাপন কৰা গুৰুতৰ অভিযোগৰ সন্দর্ভত অসম ৰাজ্যিক মহিলা আয়োগৰ কাষ চাপিছে অসম প্রদেশ কংগ্রেছ। যোৱা ২৭

নৱেম্বৰত কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰৰ নেতৃত্বত এটা সঁজাতি দলে আয়োগৰ কাৰ্যালয়ত উপস্থিত হৈ অভিযোগৰ উচিত তদন্ত আৰু বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনায়।



কংগ্ৰেছৰ দলটোৱে অভিযোগ কৰা অনুসৰি, দিনৰ প্ৰায় ১১ বজাত আয়োগৰ কাৰ্যালয়ত উপস্থিত হোৱাৰ পিছতো প্ৰায় ১১:৩০ বজালৈকে কাৰ্যালয়ৰ কোঠাসমূহ খোলা নাছিল। কাৰ্যালয়ত উপস্থিত এগৰাকী আইনী বিষয়াই তেওঁলোকৰ আবেদনখন গ্ৰহণ কৰে যদিও গোচৰ গ্ৰহণৰ কৰ্তৃত্ব তেওঁৰ নাই বুলি জানিবলৈ দিয়ে।

মহিলা আয়োগৰ অধ্যক্ষা আঙুৰলতা ডেকাই ফোনযোগে বিহাৰত থকাৰ কথা জানিবলৈ দিয়া বুলি উল্লেখ কৰি মীৰা বৰঠাকুৰে ক্ষোভ প্ৰকাশ কৰে। তেওঁ কয় যে অধ্যক্ষা বাহিৰত থাকিলেও কাৰ্যালয়ৰ যাৱতীয় কাম-কাজ আৰু আবেদন গ্ৰহণৰ ব্যৱস্থা থাকিব লাগিছিল। আয়োগে এই পৰ্যন্ত বিষয়টোত নিজাবীয়াকৈ পদক্ষেপ নোলোৱাক লৈ অসন্তুষ্টি প্ৰকাশ কৰি তেওঁ কয়, ‘মহিলা আয়োগ এতিয়া মহিলা আয়োগ হৈ থকা নাই।’

কংগ্ৰেছৰ সঁজাতি দলটোৱে অহা ৪৮ ঘণ্টাৰ ভিতৰত বিষয়টো সন্দৰ্ভত স্বতঃপ্ৰণোদিতভাৱে গোচৰ ৰুজু কৰিবলৈ আয়োগক দাবী জনায়। প্ৰযোজ্য আইনী ধাৰা উল্লেখ কৰি এই আবেদন দাখিল কৰা হৈছে বুলি বৰঠাকুৰে জানিবলৈ দিয়ে।

উল্লেখ্য যে, এগৰাকী মহিলাই ডাঃ হাবে টেৰণৰ বিৰুদ্ধে বিবাহৰ প্ৰতিশ্ৰুতি দি সম্পৰ্ক স্থাপন কৰা আৰু পৰৱৰ্তী সময়ত অস্বীকাৰ কৰাৰ অভিযোগ তুলিছে। মহিলাগৰাকীৰ দাবী মতে, তেওঁলোকৰ এটি পাঁচ বছৰীয়া সন্তান আছে। অৱশ্যে এই অভিযোগসমূহৰ সত্যতা এতিয়াও নিৰপেক্ষভাৱে প্ৰমাণিত হোৱা নাই।

কংগ্ৰেছ নেত্ৰীগৰাকীয়ে জনোৱা মতে, ভুক্তভোগী মহিলাগৰাকীয়ে পূৰ্বেও আৰক্ষী আৰু মহিলা আয়োগৰ কাষ চাপিও ন্যায় পোৱা নাই। দলটোৰ আন এগৰাকী নেত্ৰীয়ে কয় যে যোৱা ২ জুলাইত মহিলাগৰাকীয়ে নিৰ্বাচন আয়োগ আৰু বিজেপিৰ নেতৃত্বকো লিখিতভাৱে অৱগত কৰিছিল। কংগ্ৰেছে সংশ্লিষ্ট পক্ষসমূহৰ বক্তব্য গ্ৰহণ কৰাৰ লগতে ডিএনএ পৰীক্ষাৰ জৰিয়তে সন্তানটিৰ পিতৃত্ব নিৰূপণ কৰিবলৈ দাবী জনাইছে।

এই বিষয়টো কোনো ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত নহয় বুলি স্পষ্ট কৰি দি কংগ্ৰেছ নেতৃত্বই কয় যে এগৰাকী মহিলাৰ ন্যায় লাভৰ স্বাৰ্থতহে তেওঁলোকে এই দাবী উত্থাপন কৰিছে। অভিযোগ প্ৰমাণিত হ’লে কঠোৰ ব্যৱস্থা

আৰু অপ্ৰমাণিত হ’লে সেই কথাও স্পষ্ট হ’ব লাগে। বিধানসভাৰ উপাধ্যক্ষৰ দৰে সাংবিধানিক পদত অধিষ্ঠিত ব্যক্তি জড়িত থকাৰ বাবে চৰকাৰেও দায়িত্বশীল ভূমিকা ল’ব লাগে বুলি দলটোৱে মত প্ৰকাশ কৰে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6933/congress-submits-memorandum-assams-women-commission-habe-teron